# REGIONAL NEWS UNIT

## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-03-2024
**Time :** 1715 Hrs.

# *Assamese Evening Bulletin*

নিৰ্বাচন আয়োগে গুজৰাট, পঞ্জাব, ওড়িশা আৰু পশ্চিমবংগত জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা নন কেডাৰ বিষয়াসকলক বদলিকৰণৰ নিৰ্দেশ দিছে। নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধু তথা মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰৰ অধ্যক্ষতাত আয়োজিত বৈঠকত এই সিদ্ধান্ত লোৱা হয়। তদুপৰি আয়োগে পঞ্জাবৰ ৰথিন্দাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অসমৰ শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষককো বদলিকৰণৰ নিৰ্দেশ দিয়ে। বিষয়া দুগৰাকীৰ পৰিয়ালৰ লোক ৰাজনীতিৰ সৈতে জড়িত হৈ থকাৰ পৰিপ্ৰেক্ষিতত আয়োগে এই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০

———অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে কালি ধুবুৰীৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৰা গ্ৰেপ্তাৰ কৰা সন্ত্ৰাসবাদী সংগঠন আইচিচৰ ভাৰতত থকা মুৰব্বী হেৰিছ ফাৰুকী আৰু তেওঁৰ সহযোগী অনুৰাগ সিঙক ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ হাতত গতাই দিছে। অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আজি আয়োজিত এখন সংবাদমেলত বিশেষ টাস্ক ফোৰ্চৰ মুৰব্বী পাৰ্থ সাৰথি মহন্তই হেৰিছ ফাৰুকী কূটাঘাতমূলক কাম-কাজৰ সৈতে জড়িত বুলি সদৰি কৰে। তদুপৰি আইচিচত সদস্য নিযুক্তি প্ৰক্ৰিয়াতো ফাৰুকী জড়িত বুলি আৰক্ষীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে সীমান্ত পাৰ হ'বলৈ চেষ্টা কৰা অৱস্থাত ধৰ্মশালা এলেকাৰ পৰা সন্ত্ৰাসবাদী দুটাক গ্ৰেপ্তাৰ কৰা হৈছিল। শ্ৰী মহন্তই কয় যে এই সন্ত্ৰাসবাদী দুটা ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা অৰ্থাৎ এন আই এৰ কেইবাটাও গোচৰত অভিযুক্ত হোৱাৰ সূত্ৰে তেওঁলোকৰ সন্ধানত সংস্থাটোৱে অভিযান চলাই আছিল। ৰাষ্ট্ৰীয় সংস্থাটোৰ তদন্তত ওলাবলগীয়া অসম বিষয়ক তথ্যসমূহৰ ভিত্তিত অসম আৰক্ষীয়ে নিজাববীয়াকৈ তদন্ত কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। দেশৰ অন্যপ্ৰান্তৰ বিষয়সমূহ ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাটোৱে তদন্ত কৰিব বুলি মহা পৰিদৰ্শকগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে অসম আৰক্ষীয়ে সন্ত্ৰাসবাদী দুটাক প্ৰাথমিক পৰ্যায়ত কিছু সময়ৰ বাবে জেৰা কৰিছিল যদিও তদন্তৰ স্বাৰ্থত সেয়া ৰাজহুৱা কৰিব পৰা নাযায়। শ্ৰী মহন্তই কয় যে ১৫ দিন পূৰ্বে কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা এটাৰ পৰা আইচিচৰ দুজন শীৰ্ষ নেতাৰ গতিবিধি সন্দৰ্ভত অসম আৰক্ষীয়ে খবৰ লাভ কৰিছিল। এই অনুসৰি বিশেষ টাস্ক ফোৰ্চে চলোৱা অনুসন্ধানত ১৯ মাৰ্চত সন্ত্ৰাসবাদী দুটা ধুবুৰীৰ ধৰমশালাত উপস্থিত হোৱাৰ তথ্য লাভ কৰা হয়। এই অনুসৰি কালি পুৱতিনিশা ধৰমশালাত সীমান্ত অতিক্ৰম কৰা অৱস্থাত দুয়োজনকে গ্ৰেপ্তাৰ কৰা হয়। অৱশ্যে লোকদুজনৰ পৰা এতিয়ালৈ ম'বাইল ফোনৰ বাহিৰে অন্য সামগ্ৰী জব্দ কৰা হোৱা নাই।

০০০০০

———লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ লগতে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰিছে। আজি গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু মিত্ৰজোঁটৰ নেতা তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত গোৱালপাৰা জিলাৰ দুধনৈত বিজেপিৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। এই কাৰ্যসূচীত দলৰ ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। ইপিনে, ধুবুৰী সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। ২৬ লাখ ৪৩ হাজাৰৰ অধিক ভোটদাতা থকা সমষ্টিটোত বিজেপি মিত্ৰজোঁটৰ

প্ৰাৰ্থী জাবেদ ইছলামে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। প্ৰাৰ্থীগৰাকীয়ে আজি গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰু কাণকাটাত দলীয় কৰ্মীৰ লগতে ৰাইজৰ সৈতে মত বিনিময় কৰে। ইপিনে, দৰং, ওদালগুৰি লোকসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে আজি খাৰুপেটীয়াত এখন দলীয় সভাত অংশ লয়। যোৰহাট জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ বিজেপিৰ কাৰ্যকৰ্তাসকলৰ এখন সাংগঠনিক সভা আজি অনুষ্ঠিত হয়। এই সভাত মন্ত্ৰী অজন্তা নেওগ প্ৰমুখ্যে ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। বৰপেটাৰ লোকসভা সমষ্টিৰ বাবে অসম গণ পৰিষদৰ জিলা নিৰ্বাচনী কাৰ্যালয়টো আজি মুকলি কৰা হয়। দলৰ জিলা সভাপতি তথা প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে কাৰ্যালয়টো মুকলি কৰে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে আজি চৰাইদেউ জিলাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০০০০

————লোকসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি ছুইপ কাৰ্যসূচীৰ অংশ হিচাপে ভোটদাতাৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আজি এটা চাইকেল সমদল উলিওৱা হয়। এই সমদলত ভালেসংখ্যক নতুন ভোটদাতাই অংশগ্ৰহণ কৰে। জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ দ্বাৰা আয়োজিত অনুষ্ঠানটোৰ আঁত ধৰে উত্তৰ-পূবৰ প্ৰথমগৰাকী পেৰা চাইকেলিষ্ট ৰাকেশ বনিকে। চাইকেল সমদলটোত নগাঁৰৰ নিৰ্বাচনী বিষয়া, অতিৰিক্ত আয়ুক্ত, খণ্ড উন্নয়ন বিষয়াৰ লগতে নতুন ভোটদাতাসকলেও অংশগ্ৰহণ কৰে।

০০০০০০০০

কাৰ্বি আংলং জিলা আৰু পশ্চিম কাৰ্বি আলং জিলা প্ৰশাসনে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী আচৰণ বিধি উলংঘা তথা নিৰ্বাচনী বিধি সন্দৰ্ভত কিবা জানিবলগীয়া থাকিলে পৃথকে পৃথকে দুটা টোল ফ্ৰী নম্বৰ ঘোষণা কৰিছে। ডিফু জিলা আয়ুক্তৰ কাৰ্যালয়ে ৬০০৩০-১৯৬৬২ টোল ফ্ৰী নম্বৰৰ সুবিধা দিছে। আনহাতে হামৰেণ জিলা আয়ুক্তৰ কাৰ্যালয়ে ৮১৩৫০-০৫৪৬৭ টোল ফ্ৰী নম্বৰ ঘোষণা কৰিছে। নিৰ্বাচনৰ লগত জড়িত যিকোনো তথ্য জানিবৰ বাবে তথা অভিযোগ দাখিল কৰিবলৈ দুয়োখন জিলাৰ ভোটদাতাসকলে এই দুটা নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০০

# সমাপ্ত